■ কেন্দ্ৰীয় চৰকাৰৰ জন সুৰক্ষা অভিযানৰ শিবিৰ ষ্টেট বেংকৰ ■

# দদৰাত ২০টা আত্মসহায়ক গোটক ১ কোটি টকাৰ ঋণৰ চেক বিতৰণ




বিশেষ বাৰ্তা, গুৱালকুছি, ২৮ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰৰ জন সুৰক্ষা অভিযানৰ অংশ হিচাপে আজি কামৰূপৰ দদৰাস্থিত ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত জন সুৰক্ষা শিবিৰৰ আয়োজন কৰা হয়। ভাৰতীয় ষ্টেট বেংকৰ দদৰা শাখাৰ উদ্যোগত আয়োজন কৰা শিবিৰটোত জন সুৰক্ষা আঁচনিৰ বিষয়ে বহুলভাৱে আলোচনা কৰাৰ ১৩ পৃষ্ঠাত

## নলবাৰী মেডিকে

## কলেজৰ প্ৰতিনিধি দলৰ চ

'শিশুৰ সুস্বাস্থ্য নিশ্চিতকৰণে সমাজ স

## দদৰাত ২০টা আত্মসহায়ক গোটক ১ কোটি টকাৰ ঋণৰ

লগতে বেংকত পলব্ধ বিভিন্ন আঁচনিৰ দ্বাৰা জনসাধাৰণ কেনেদৰে পকৃত হ'ব পাৰে এই সম্পৰ্কে আলোচনা কৰা হয়। অনুষ্ঠানটোত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গুৱাহাটী মুখ্য কাৰ্যালয়ৰ বিষয়া সুস্মিতা ফুকনে কয় যে ভাৰতীয় ষ্টেট বেংকৰ উদ্যোগত সাধাৰণ জনতাক বিত্তীয় সেৱাৰ বিষয়ে সজাগ আৰু সচেতন হ'বলৈ এই শিবিৰ আয়োজন কৰিছে। বেংকৰ জৰিয়তে গ্ৰাহকসকল কেনেদৰে বেংকৰ সেৱাসমূহৰ দ্বাৰা লাভান্বিত হ'ব পাৰে সেই বিষয়ে গ্ৰাহকসকলক সজাগ কৰিবলৈ শিবিটোৰ আয়োজন কৰা বুলি মন্তব্য কৰে। তেওঁ সকলোকে বিত্তীয় সেৱা, বেংকিং পদ্ধতি আৰু অন্যান্য বিত্তীয় সামগ্ৰীৰ বিষয়ে সজাগ-সচেতন হ'বলৈ আহ্বান জনায়। অনুষ্ঠানটোত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য মহাপ্ৰবন্ধক প্ৰভাস বসুৱে কয় যে ভাৰতীয় ষ্টেট বেংকৰ বিত্তীয় সজাগতা অভিযানৰ লক্ষ্য হৈছে জনসাধাৰণক বিত্তীয় সেৱাৰ সৈতে জড়িত কৰা। সাধাৰণ মানুহে কেনেদৰে বিত্তীয় সেৱাৰ পৰা লাভান্বিত হ'ব পাৰে, সেই বিষয়ে সজাগ কৰাৰ লগতে ঋণ সম্পৰ্কীয় বিভিন্ন বিষয়ত সজাগ আৰু সচেতন সৃষ্টি কৰাৰ উদ্দেশ্যে এই শিবিৰ অনুষ্ঠিত কৰা বুলি মন্তব্য কৰে। শিবিৰটোত ভাৰতীয় ষ্টেট বেংকৰ আন এগৰাকী উচ্চ পদস্থ বিষয়া সফল ত্ৰিপাঠীয়ে কয় — 'ভাৰতীয় ষ্টেট বেংকে সময়ে সময়ে বিত্তীয় সুৰক্ষা সন্দৰ্ভত সজাগতামূলক বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। কেনেকৈ বেংকৰ সৈতে লেনদেন কৰিব, কিদৰে ঋণ লাভ কৰিব পাৰিব, এই সকলো দিশৰ বিষয়ে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে ভাৰতীয় ষ্টেট বেংকে সজাগতামূলক সভা অনুষ্ঠিত কৰি আহিছে। চাইবাৰ প্ৰৱঞ্চনা, ডিজিটেল ফ্ৰড, ডিজিটেল এৰেষ্ট আদিৰ পৰা সজাগ আৰু সচেতন হ'বলৈ এনেধৰণৰ সজাগতা শিবিৰ আয়োজন কৰা হয়।' তেওঁ যিকোনো চাইবাৰ প্ৰৱঞ্চনাত পৰিলে ভাৰতীয় ষ্টেট বেংকৰ ১৯৩০ নম্বৰত যোগাযোগৰ বাবে আহ্বান জনায়। উল্লেখ্য, আজি অনুষ্ঠিত বিত্তীয় জন সুৰক্ষা শিবিৰত ২০টা আত্মসহায়ক গোটক প্ৰায় ১ কোটি টকাৰ চেক বিতৰণ কৰাৰ লগতে কেইবাগৰাকীও লোকক মুদ্ৰা ঋণো বিতৰণ কৰে। আজিৰ সভাখনত বেংক বিষয়া আফতাপ মালিক, সুশান্ত বল্লভ হাজৰিকা, অমিত ৰঞ্জন, সঞ্জয় কুমাৰ চাফী প্ৰমুখে ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু ভাৰতীয় ষ্টেট বেংকৰ কেইবাজনো উচ্চপদস্থ বিষয়া উপস্থিত থাকে। সজাগতা সভাখনৰ জৰিয়তে ভাৰতীয় ষ্টেট বেংকে জনসাধাৰণক বিত্তীয়ভাৱে সবল কৰাৰ বাবে উল্লেখযোগ্য পদক্ষেপ লৈছে বুলি মন্তব্য কৰে উপস্থিত ৰাইজে।